এইটো হৈছে এক প্ৰকাৰ চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি ইয়াৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি (আউজুবিল্লাহ পঢ়ি) তাৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি তিনিবাৰ তোমাৰ বাওঁফালে থু পেলাবা।

উছমান ইবনে আবিল আচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! চয়তানে মোৰ আৰু মোৰ নামাজ তথা কিৰাতৰ মাজত বাধা সৃষ্টি কৰে। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "এইটো হৈছে এক প্ৰকাৰ চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি ইয়াৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি (আউজুবিল্লাহ পঢ়ি) তাৰ অনিষ্টৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয়
প্ৰাৰ্থনা কৰি তিনিবাৰ তোমাৰ বাওঁফালে থু পেলাবা।" তেওঁ কৈছেঃ ইয়াৰ পিছত মই এইটো পদ্ধতি অৱলম্বন কৰিলোঁ, ফলত আল্লাহে ইয়াক মোৰ পৰা আঁতৰাই দিলে।
[ছহীহ] [(মুছলিম)]

উছমান ইবনে আবিল আচ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ হে আল্লাহৰ ৰাছুল! নামাজত চয়তানে মোক তিলাৱত কৰাত বাধা সৃষ্টি কৰে, লগতে খুশ্বু খুজু অৱলম্বনতো বাধা দিয়ে, আনকি কিৰাত পঢ়াৰ সময়ত মোক সন্দেহত পেলায়। এই কথা শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ সেইটো হৈছে চয়তান, যাৰ নাম হৈছে খিনঝিব। যেতিয়া তুমি এই চয়তানৰ উপস্থিতি অনুভৱ কৰিবা, তেতিয়া তুমি আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰিবা। লগতে অকণমান থু সহকাৰে তিনিবাৰ বাওঁফালে থু থু দিবা। উছমানে কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিকোৱাই দিয়া এই পদ্ধতিটো অৱলম্বন কৰাত আল্লাহে মোৰ পৰা সেই চয়তানটোক আঁতৰাই দিলে।

http://sunnah.global/hadeeth/as/show/65105